**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date :** 03-07-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

## HEADLINE

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ঘানাৰ সফল ভ্ৰমণ সামৰি পাঁচ দেশীয় যাত্ৰাৰ দ্বিতীয় পৰ্যায়ত ত্ৰিনিদাদ আৰু টবেগ'লৈ বুলি ৰাওনা হৈছে।

২। ঘানাৰ সংসদত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে আজি গণতান্ত্ৰিক পৰিকাঠামৰ স্বতন্ত্ৰতা আৰু আলোচনাৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে।

৩। গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই কক্ষপথীয় পৰীক্ষাগাৰত ব্ৰেইন-কম্পিউটাৰ ইণ্টাৰফেচ বিকশাই তোলাৰ বাবে কাম কৰি আছে।

৪। পাকিস্তানৰ কেইবাটাও মানৱ অধিকাৰ সংস্থাই বেলুচিস্তানৰ কেইবাখনো জিলাৰ পৰা ছগৰাকী লোকক পাকিস্তানী সেনাবাহিনীয়ে বলপূৰ্বকভাৱে নিৰুদ্দেশ কৰাৰ ঘটনাট উদ্বেগ প্ৰকাশ কৰিছে।

***আৰু***

৫। এজবেষ্টন ক্ৰিকেট টেষ্টত অধিনায়ক শুভমন গীলৰ অধিনায়কোচিত বেটিঙৰ বাবে ভাৰতে প্ৰথম ইনিংছত বৃহৎ স্ক'ৰ কৰাৰ দিশত অগ্ৰসৰ হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ঘানাৰ সফল ভ্ৰমণ সামৰি পাঁচ দেশীয় যাত্ৰাৰ দ্বিতীয় পৰ্যায়ত ত্ৰিনিদাদ আৰু টবেগ'লৈ বুলি ৰাওনা হৈছে। ৰাওনা হোৱাৰ পূৰ্বে শ্ৰী মোদীয়ে ঘানাৰ ৰাজধানী আক্ৰাত দেশখনৰ সংসদৰ অধিবেশনত ভাষণ দিয়ে। তেওঁ কয়, যে ভাৰত আৰু ঘানাৰ মাজৰ সম্পৰ্কৰ কোনো পৰিধি নাই। এই সম্পৰ্ক ঘানাৰ প্ৰসিদ্ধ ছুগাৰ ল'ফ পাইনাপল মাটিকঁঠালৰ দৰে মধুৰ বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। গণতন্ত্ৰ সন্দৰ্ভত মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে ভাৰতবৰ্ষক গণতন্ত্ৰৰ মাতৃ বুলি অভিহিত কৰে। তেওঁ লগতে গণতান্ত্ৰিক পৰিকাঠামৰ স্বতন্ত্ৰতা আৰু আলোচনাৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয়, যে ভাৰতৰ বাবে গণতন্ত্ৰ মাথো এটা শাসন ব্যৱস্থাই নহয় বৰং ই দেশৰ মৌলিক প্ৰমূল্যৰাজিৰো অংশ। ভাৰতবৰ্ষৰ বিশাল বৈচিত্ৰ গণতান্ত্ৰিক ব্যৱস্থাৰ শক্তিস্বৰূপ বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ২০ টা ৰাজনৈতিক দলে দেশৰ বিভিন্ন ৰাজ্যত শাসনত আছে। দেশৰ ২২ টা স্বীকৃতিপ্ৰাপ্ত চৰকাৰী ভাষা আৰু হাজাৰ হাজাৰ দোৱান আছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে এই বিবিধতাৰ বাবেই ভাৰতলৈ অহা সকলো লোককে মুকলি হৃদয়েৰে আদৰি লোৱা হয়। তেওঁ লগতে গণতন্ত্ৰ আৰু মৰ্যদাৰ প্ৰতি প্ৰদৰ্শন কৰা প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে পশ্চিম আফ্ৰিকীয় ৰাষ্ট্ৰখনৰ শলাগ লয়। ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীক ঘানাৰ ৰাষ্ট্ৰপতি জন মহামাই দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান The Officer of the Order of the Star of Ghana প্ৰদান কৰে। ঘানাৰ সংসদত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে এই সন্মানৰ বাবে ১৪০ কোটি ভাৰতীয়ৰ হৈ আফ্ৰিকীয়

ৰাষ্ট্ৰখনক কৃতজ্ঞতা জ্ঞাপন কৰে আৰু এই সন্মানৰ সৈতে থকা আৱেগিক যোগসূত্ৰৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে এই সন্মানৰ বাবে ঘানাৰ ৰাষ্ট্ৰপতিক ধন্যবাদ জ্ঞাপন কৰে আৰু এই সন্মান তেওঁৰ বাবে গৌৰবৰ বিষয় বুলি উল্লেখ কৰে। শ্ৰী মোদীয়ে উভয় দেশৰ যুৱক-যুৱতীসকলৰ নামত এই সন্মান উৎসৰ্গিত কৰে।

ইয়াৰ পূৰ্বে শ্ৰী মোদীয়ে আক্ৰাত থকা এক্ৰ’মাহ স্মাৰক উদ্যানত  ঘানাৰ প্ৰতিষ্ঠাপক ৰাষ্ট্ৰপতি তথা আফ্ৰিকীয় স্বাধীনতা আন্দোলনৰ অগ্ৰণী নেতা ড০ কোৱামে এক্ৰ’মালৈ শ্ৰদ্ধা নিবেদন কৰে। তেওঁ লগতে ৰাজধানী আক্ৰাত প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মত বিনিময় কৰে। ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদী আৰু ঘানাৰ ৰাষ্ট্ৰপতি জন ড্ৰামানি মহামাই প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয় আৰু দুয়োখন দেশে বৃহৎ পৰিসৰৰ সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰে। দুয়োগৰাকী নেতাই বাণিজ্য বিনিয়োগ, কৃষি, ডিজিটেল প্ৰযুক্তি, দক্ষতা নিৰ্মাণ, আন্তঃগাঁথনি আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কক ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধি সন্দৰ্ভত আলোচনা কৰে। দুয়োখন ৰাষ্ট্ৰই সংস্কৃতি, আয়ুৰ্বেদ আৰু পৰম্পৰাগত ঔষধকে ধৰি বিভিন্ন ক্ষেত্ৰত চাৰিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। দুয়োগৰাকী নেতাই ক্ৰমবৰ্ধমান দ্বিপাক্ষিক বাণিজ্য আৰু ঘানাত ভাৰতৰ বিনিয়োগক লৈ সন্তুষ্টি ব্যক্ত কৰে। তেওঁলোকে লগতে প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতা সন্দৰ্ভতো কথা পাতে।

০০০০০

আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত থকা প্ৰথম ভাৰতীয় মহাকাশচাৰী বায়ু সেনা বাহিনীৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই কক্ষপথীয় পৰীক্ষাগাৰত ব্ৰেইন-কম্পিউটাৰ ইণ্টাৰফেচ বিকশাই তোলাৰ বাবে কাম কৰি আছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশ সংস্থা নাছাই এটা পোষ্ট যোগে AXIOM 4 মহাকাশ অভিযানৰ অংশ হিচাপে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ যোৱা শুক্লাই সতীৰ্থ মহাকাশচাৰী পোলেণ্ডৰ শ্লাঅ’জ উজনাস্কি উইজনিউক্সিৰ সৈতে কলম্বাচ পৰীক্ষাগাৰত কাম কৰি থকাৰ আলোকচিত্ৰ প্ৰকাশ কৰিছে। এই অধ্যয়নত মস্তিষ্কৰ গতিবিধি ৰেকৰ্ড কৰাৰ বাবে অধ্যয়নৰ জৰিয়তে নিয়াৰ ইনফ্ৰাৰেড প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে। থটছ্ অভাৰ গ্ৰেভিটি নামৰ এই সম্পৰীক্ষাৰ জৰিয়তে মহাকাশচাৰীসকলে কিদৰে কম মাধ্যাকাৰ্ষণৰ প্ৰত্যাহ্বানপূৰ্ণ পৰিস্থিতিৰ মাজতো ব্ৰেইনৰ জৰিয়তে কম্পিউটাৰ নিয়ন্ত্ৰণ কৰে সেই বিষয়ে অন্বেষণ কৰা হৈছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত প্ৰতিৰক্ষা ক্ৰয় পৰিষদে থলুৱা উৎসৰ পৰা এক লাখ কোটিৰে অধিক টকাৰ ১০ টা মূলধনী ক্ৰয় প্ৰস্তাৱত অনুমোদন জনাইছে। সেই অনুসৰি বৈদ্যুতিন যুদ্ধ প্ৰণালী, সেনাবাহিনীৰ তিনিওটা শাখাৰ বাবে সংহত উমৈহতীয়া  দ্ৰব্য তালিকা ব্যৱস্থাপনা প্ৰণালী, ভূপৃস্থৰ পৰা আকাশ মাৰ্গলৈ নিক্ষেপ কৰিব পৰা ক্ষেপণাস্ত্ৰ আৰু বৰ্মসজ্জিত বাহন ক্ৰয়ৰ প্ৰস্তাৱত অুমোদন দিয়া হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই প্ৰস্তাৱসমূহে উন্নত যোগান শৃংখলা ব্যৱস্থাপনা, ফলপ্ৰসূ বায়ু প্ৰতিৰক্ষা ব্যৱস্থা সুনিশ্চিত কৰিব আৰু সশস্ত্ৰ বাহিনীসমূহৰ অভিযানৰ প্ৰস্তুতি সুদৃঢ় কৰিব। চাবমেৰিন বিধংসী মুৰ্ড মাইন, সামুদ্ৰিক মাইন ধৰা পেলাই ধংস কৰিব পৰা মাইন কাউণ্টাৰ মিজাৰ জাহাজ, ছুপাৰ ৰেপিড গান মাউণ্ট আৰু পানীৰ তলত চলাচল কৰা বিশেষ বাহন ক্ৰয়ৰ প্ৰস্তাৱতো ক্ৰয় পৰিষদে অনুমোদন দিছে। এই সামগ্ৰীসমূহৰ ক্ৰয়ৰ জৰিয়তে নৌ সেনা বাহিনী আৰু ব্যৱসায়িক জাহাজৰ সম্ভাব্য বিপদাশংকা কম কৰিব পৰা যাব।

০০০০০

পাকিস্তানৰ কেইবাটাও মানৱ অধিকাৰ সংস্থাই বেলুচিস্তানৰ কেইবাখনো জিলাৰ পৰা ছগৰাকী লোকক পাকিস্তানী সেনাবাহিনীয়ে বলপূৰ্বকভাৱে নিৰুদ্দেশ কৰাৰ ঘটনাট উদ্বেগ প্ৰকাশ কৰিছে। মানৱ অধিকাৰ বিভাগৰ এটা বেলুছ ৰাষ্ট্ৰীয় আন্দোলন পাংকে সমগ্ৰ বেলুচিস্তানত বলপূৰ্বকভাৱে নিৰুদ্দেশৰ সংখ্যা বৃদ্ধি পোৱাৰ মাজতে যোৱা দুদিনৰ ভিতৰত এই ঘটনা সংঘটিত হৈছে বুলি জানিবলৈ দিয়ে। মানৱ অধিকাৰ সংস্থাটোৱে কয়, যে এই অপহৰণে বেলুচ যুৱক-যুৱতীসকলক পদ্ধতিগতভাৱে লক্ষ্য কৰি লোৱাৰ প্ৰবৃত্তিকে উদঙাই দেখুৱাইছে।

মানৱাধিকাৰ কৰ্মীসকলে কালি বেলুচিস্তানৰ পঞ্জুগুৰ জিলাত মানৱাধিকাৰ সংগঠন বেলুচ য়াকজেহটি সমিতিৰ এগৰাকী সদস্যক হত্যা কৰাৰ বিৰুদ্ধে প্ৰতিবাদী সমাৱেশ অনুষ্ঠিত কৰে। শেহতীয়াকৈ পাকিস্তানৰ মানৱাধিকাৰ আয়োগে জাৰি কৰা প্ৰেছ বিজ্ঞপ্তিত পাকিস্তানত মানৱাধিকাৰ কৰ্মীসকলে এতিয়া দমনমূলক পৰিৱেশত কাম কৰিবলৈ বাধ্য হৈছে। সংস্থাটোৱে আটকাধীন সকলো মানৱাধিকাৰ কৰ্মীক বিনা চৰ্তে মুকলি কৰি দিয়াৰ লগতে সকলো অঞ্চলতে গণতান্ত্ৰিক অধিকাৰ পুনৰুদ্ধাৰ কৰাৰ আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি ঝাৰখণ্ডৰ গঢ়বাত দুহেজাৰ ৪৫৬ কোটি টকা ব্যয় সাপেক্ষ দুটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প উদ্বোধন কৰে। শ্ৰী গাডকাৰীয়ে লগতে ৰাজ্যখনৰ দ্ৰুত উন্নয়ন সুনিশ্চিত কৰাৰ বাবে দুই লাখ কোটি টকাৰ ঘাইপথ প্ৰকল্প ৰূপায়ণ কৰা হ'ব বুলি ঘোষণা কৰে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ছহেজাৰ ৩৫০ কোটি টকা মূল্যৰ ১১ টা প্ৰকল্পও মুকলি কৰে। এই উপলক্ষে শ্ৰী গাডকাৰীয়ে কয়, যে ৰাজ্যখনত ৪০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু ৭০ হাজাৰ কোটি টকা মূল্যৰ আন কেইটামান প্ৰকল্পৰ কাম চলি আছে। তেওঁ ৭৫ হাজাৰ কোটি ব্যয় সাপেক্ষ অন্য কেইটামান প্ৰকল্পৰ পৰিকল্পনা কৰা হৈছে বুলিও উল্লেখ কৰে। আঞ্চলিক যোগাযোগ আৰু অৰ্থনৈতিক বিকাশৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ বুলি শ্ৰী গাডকাৰীয়ে মন্তব্য কৰে।

০০০০০

দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লী জে মিয়ুঙে কয়, যে তেওঁৰ প্ৰশাসন আমেৰিকাৰ সহযোগত উত্তৰ কোৰিয়াৰ সৈতে সম্পৰ্ক উন্নত কৰিবলৈ চেষ্টা কৰিব। অৱশ্যে তেওঁ স্বীকাৰ কৰে যে, পিঅ'ঙয়াঙৰ সৈতে আলোচনা এতিয়াও কঠিন হৈয়ে আছে। কাৰ্যভাৰ গ্ৰহণৰ প্ৰথম মাহ উপলক্ষে চিউলত অনুষ্ঠিত সংবাদ মেলত লীয়ে সহযোগ আৰু শান্তিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। চিউলৰ সীমান্তৰ ওচৰত শেহতীয়াকৈ লাউডস্পীকাৰৰ সম্প্ৰচাৰ বন্ধ হোৱা কাৰ্যই উত্তেজনা লাঘৱ কৰাত সহায়ক হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। দক্ষিণ আৰু উত্তৰ কোৰিয়াৰ মাজত গভীৰভাৱে শিপাই থকা অনাস্থাক স্বীকাৰ কৰি লীয়ে কয়, যে চিউলে শোষন নহয়, শান্তিপূৰ্ণ একত্ৰীকৰণহে বিচাৰে।

০০০০০

পঞ্চদশ হকী ইণ্ডিয়া চাব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা চেম্পিচয়শ্বিপ ২০২৫ আজি ৰাঁচীৰ মাৰাং গম্‌কে জয়পাল সিং হকী ষ্টেডিয়ামত ঝাৰখণ্ডৰ ক্ৰীড়া মন্ত্ৰী সুবিদ্য কুমাৰে উদ্বোধন কৰে। হকী কৰ্ণাটক আৰু কেৰালা হকীৰ মাজত আজি অনুষ্ঠিত উদ্বোধনী মেচখন হয়। পুল **চি**ৰ আজি পুৱা অনুষ্ঠিত তিনিখন খেলত হকী হিমাচল প্ৰদেশ দলটোৱে হকী ৰাজস্থানক ৭-০ গলত, হকী অসম দলে হকী গোৱাক ৭-১ গলত পৰাস্ত কৰে। তৃতীয়খন মেচ হকী তেলেংগানা

আৰু হকী জম্মু-কাশ্মীৰৰ মাজত ২-২ গলত ড্ৰ হয়। অহা ১৪ জুলাইত সামৰণি পৰিবলগীয়া প্ৰতিযোগিতাখনত মুঠ ২৮ টা দলে অংশগ্ৰহণ কৰিছে।

০০০০০

এজবেষ্টন ক্ৰিকেট টেষ্টত অধিনায়ক শুভমন গীলৰ অধিনায়কোচিত বেটিঙৰ বাবে ভাৰতে প্ৰথম ইনিংছত বৃহৎ স্ক'ৰ কৰাৰ দিশত অগ্ৰসৰ হৈছে। এণ্ডাৰচন-তেণ্ডুলকাৰ ট্ৰফীৰ দ্বিতীয়খন টেষ্টমেচৰ আজি দ্বিতীয় দিনা ভাৰতে কালি ৫ উইকেটত সংগ্ৰহ কৰা ৩১০ ৰানৰ পৰা পুনৰ খেলিবলৈ লৈ ষষ্ঠ উইকেটৰ যুটিত ১৬১-ৰ পৰা অভিলেখ সংখ্যক ২০৩ ৰান যোগ দিয়ে। ৰবীন্দ্ৰ জাদেজা ৮৯ ৰান কৰি টঙৰ বলত জেমি স্মিথৰ হাতত কেচ দি আউট হয়। অধিনায়ক শুভমন গীলে দৃঢ়তাৰে খেলি আমালৈ বাতৰি অহাৰ পৰলৈকে দ্বিশতক অৰ্জন কৰিছে। ভাৰতে এতিয়ালৈকে ৬ উইকেটৰ বিনিময়ত ৪৯৬ ৰান সংগ্ৰহ কৰিছে। শুভমন গীলে ২২২ আৰু ৱাশ্বিংটন সুন্দৰে ২৩ ৰান সংগ্ৰহ কৰি খেলি আছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ